# অতিশয় কোমল মাটি

www.rkbassam.in



অতিশয় কোমল মাটিত বীজৰ অংকুৰণ তথা শস্যৰ স্থিতি মজবুত হোৱাত বাধা জন্মে।

**কিয় আৰু ক'ত হয়?**

প্ৰত্যক্ষভাৱে সিচাঁ ধানৰ সিক্ত পদ্ধতিত যদিহে শেষৰবাৰ হাল বোৱা আৰু বীজ সিঁচাৰ মাজৰ সময়চোৱাৰ ব্যৱধান কম হয় তেতিয়া মাটিডোখৰ অধিক কোমল হ'ব পাৰে।

**পানীত কেনেকৈ চিনাক্তকৰণ কৰিব?**

অতিশয় কোমল মাটিত বীজবোৰ বহু দ'লৈ সোমাই যায় বাবে অংকুৰিত বীজবোৰ ভালদৰে ওলাই আহিব নোৱাৰে। সেয়েহে পথাৰত তলত দিয়া লক্ষণসমূহ দেখিছে নেকি চাব লাগে

- প্ৰত্যক্ষভাৱে সিঁচা ধানৰ পথাৰত গছবোৰ মাটিৰ ওপৰলৈ ভালদৰে ওলাই আহিছে নে নাই চাব লাগে
- গছবোৰৰ স্থিতি মজবুত হৈছে নে নাই চাব লাগে ।

অৱশ্যে অন্য কাৰণতো গছৰ স্থিতি মজবুত হোৱাত বাধা জন্মিব পাৰে। এনে কাৰণসমূহৰ ভিতৰত চপৰাযুক্ত মাটি, নিম্ন মানৰ বীজ, কম পৰিমানৰ বীজ প্ৰয়োগ, নিম্ন পৰিমাণ পানীৰ নাটনি, বীজ সিঁচাৰ সময়ত অত্যাধিক বৰষুণ হোৱা, চৰাই-চিৰিকতি, পকৰা-এন্দুৰ আদিয়ে বীজবোৰ আঁতৰাই পেলোৱা ইত্যাদি। সেয়েহে পথাৰত প্ৰত্যক্ষভাৱে বীজ সিঁচাৰ সময়ত মাটিখিনি কেনেকুৱা হৈ আছিল সেই বিষয়ে কৃষকজনৰ পৰা জানি লব লাগে। আনহাতে পানীৰ সংস্পৰ্শত মাটিখিনিয়ে কি ৰূপ লয় তাকো পৰীক্ষা কৰি লব লাগে। মাটি-পানীৰ মিশ্ৰণটো যিমানেই শিথিল হয় সিমানেই এই সমস্যা বেছি হয়।

**গুৰুত্ব:**

শস্যৰ স্থিতি মজবুত হলেহে উৎপাদন অধিক হয়। অতিশয় কোমল মাটিৰ পথাৰত প্ৰত্যক্ষভাৱে সিঁচা ধানৰ গছবোৰ ভালদৰে বাঢ়িব নোৱাৰে। সেয়েহে উৎপাদন হ্ৰাস পায় আৰু আৰ্থিক ক্ষতি হয়।

**ব্যৱস্থাপনা:**

বীজ অংকুৰণৰ সময়ত পথাৰৰ মাটি-পানীৰ মিশ্ৰণটো কেনেকুৱা অৱস্থাত আছিল সেইটো জনাটো নিতান্তই প্ৰয়োজন। এটা সৰু পদ্ধতিৰে ইয়াক নিৰুপণ কৰিব পাৰি। যেতিয়া পথাৰখন সাজু হৈ উঠে তেতিয়া মাটিখিনিত মাৰি এডালেৰে ইংৰাজী V আকাৰৰ এটা নলা খান্দিব লাগে। যদিহে V আকাৰৰ নলাটো ক্ষন্তেকতে নাইকিয়া হৈ যায় তেতিয়া বুজিব লাগিব যে মাটিডৰা অতি কোমল হৈ আছে।

*Rice Fact Sheet*

Assam Agribusiness and Rural Transformation Project (APART)

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART

The opinions expressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. Attribution – Non Commercial-Share Alike 3.0 (Unported)